# ভাৰত-বাংলাদেশৰ মাজত তৃতীয় যুটীয়া পৰামৰ্শমুলক আয়োগৰ বৈঠক

১৫ চেপ্তেম্বৰ ২০১৪

ভাৰত আৰু বাংলাদেশৰ মাজত যুটীয়া পৰামৰ্শমুলক আয়োগৰ(জেচিচি)তৃতীয় লানি বৈঠক ২০ চেপ্তেম্বৰ ২০১৪ তাৰিখে নতুন দিল্লীত অনুষ্ঠিত হব ।এই বৈঠকৰ যুটীয়া ভাৱে সভাপতিত্ব কৰিব ভাৰতৰ বিদেশ মন্ত্ৰী আৰু বাংলাদেশৰ বিদেশ মন্ত্ৰীয়ে ।বাংলাদেশৰ সন্মানীয় বিদেশ মন্ত্ৰী মি:আবুল হাচান মাহমুদ আলিয়ে এই বৈঠকৰ বাবে এক উচ্চস্তৰীয় প্ৰতিনিধি দলৰ নেতৃত্ব দিব ।

২০১১ চনৰ চেপ্তেম্বৰ মাহত প্ৰধান মন্ত্ৰী মনমোহন সিঙৰ বাংলাদেশ ভ্ৰমণৰ কালত যি সমুহ উন্নয়নমুলক বিষয়ৰ সহযোগিতাৰ গাঠনিক(ফ্ৰেমৱৰ্ক)চুক্তিত স্বাক্ষৰ কৰা হৈছিল তাৰ অন্তৰ্গততেই জেচিচিৰ গঠিত হয় ।জেচিচিৰ প্ৰথম লানি বৈঠক অনুষ্ঠিত হৈছিল নতুন দিল্লীত ।২০১২ চনৰ মে মাহত এই বৈঠক অনুষ্ঠিত হয় । ২০১৩ চনৰ ফেব্ৰুৱাৰি মাহত ঢাকাত দ্বিতীয় লানি বৈঠক অনুষ্ঠিত হৈছিল ।

জেচিচিৰ অনুষ্ঠিত হবলগীয়া বৈঠক লানিয়ে দ্বিপাক্ষীক সম্পৰ্কৰ বিভিন্ন ক্ষেত্ৰৰ গুৰুত্ব লাভ কৰা উদ্যোগ সমুহ প্ৰগতিৰ পৰ্য্যালোচনা কৰা হব । দ্বিপাক্ষীক অংশীদাৰিত্বৰ অগ্ৰাধিকাৰৰ ক্ষেত্ৰ সমুহৰ উদ্যোগ সমুহৰ চিন্হিত কৰাৰ উপৰিও এই দ্বিপাক্ষীক সম্পৰ্কৰ ভৱিষ্যতে উন্নয়নৰ অৰ্থে নিৰ্দেশনাও আগবঢ়োৱা হব ।

বৰ্তমান ভাৰতত ভ্ৰমণৰত বাংলাদেশৰ বিদেশ মন্ত্ৰী গৰাকীয়ে মহামান্য ভাৰতৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ সৈতে সাক্ষাৎ কৰিব ।তাৰোপৰি তেওঁ ভাৰতীয় কেবিনেটৰ সদস্য সকলৰ সৈতে পৃথক পৃথকৈ বৈঠকত মিলিত হোৱাৰ বাবে কাৰ্য্যসূচী প্ৰস্তুত কৰা হৈছে ।

নতুন দিল্লী

১৫ চেপ্তেম্বৰ ২০১৪